# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 28-09-2024
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আজি এদিনীয়া ভ্ৰমণসূচীৰে তেলেংগানালৈ যাব।

২। ৬৭ কোটিতকৈও অধিক আয়ুষ্মান ভাৰত হেল্‌থ একাউণ্টৰ সুবিধা দিয়া আয়ুষ্মান ভাৰত ডিজিটেল ভাৰত অভিযানে কালি তিনিটা বছৰ সম্পূৰ্ণ কৰে।

৩। ভাৰতীয় ৰে'ল বিভাগে দুৰ্গা পূজা, দেৱালী আৰু ছট পূজাৰ বাবে অহা পহিলা অক্টোবৰৰ পৰা ৩০ নৱেম্বৰলৈ ছহেজাৰতকৈও অধিক বিশেষ ৰে'ল চলাচল কৰাব।

৪। বাংলাদেশে আজি ভাৰতৰ বিৰুদ্ধে অনুষ্ঠিত দ্বিতীয়খন টেষ্টত ৩ উইকেটৰ বিনিময়ত কালি সংগ্ৰহ কৰা ১০৭ ৰানৰ পৰা দ্বিতীয় দিনৰ খেল আৰম্ভ কৰিব।

*আৰু*

৫। ভাৰতৰ তৃষা জলী আৰু গায়ত্ৰী গোপীচান্দৰ যুটীটো আজি মাকাউ অপেন বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলাৰ ডাবলছৰ ছেমি ফাইনেলত টাইৱানৰ শ্বে পে চান্দ আৰু হুং এ তুজুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আজি এদিনীয়া ভ্ৰমণসূচীৰে তেলেংগানালৈ যাব। ভ্ৰমণৰ অংশহিচাপে ৰাষ্ট্ৰপতিয়ে হায়দৰাবাদৰ নালচাৰ আইন বিশ্ববিদ্যালয়ৰ ২১ সংখ্যক দীক্ষান্ত সমাৰোহত ভাগ ল'ব। শ্ৰীমতী মুৰ্মুৱে ছিকন্দ্ৰাবাদত থকা ৰাষ্ট্ৰপতি নিলয়মত ভাৰতীয় কলা মহোৎসৱ উদ্বোধন কৰিব। ৮ দিনীয়াকৈ হ'বলগীয়া এই কলা মহোৎসৱত অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মেঘালয়, মিজোৰাম, নাগালেণ্ড, ছিকিম আৰু ত্ৰিপুৰাৰ কলা সংস্কৃতি প্ৰদৰ্শন কৰা হ'ব। আটাইকেইখন ৰাজ্যৰ কেন্দ্ৰীয় ৰাজ্যমন্ত্ৰী আৰু ৰাজ্যপালসকলে এই কলা মহোৎসৱত ভাগ ল'ব।

০০০০০

চলিত বৰ্ষৰ বিশ্ব উদ্ভাৱন সূচ্যাংকত ১৩৩ টা বিশ্ব অৰ্থনীতিৰ ভিতৰত ভাৰত ৩৯ সংখ্যক স্থানলৈ উন্নীত হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ইয়াক উল্লেখযোগ্য কৃতিত্ব হিচাপে অভিহিত কৰিছে। সামাজিক মাধ্যমত লিখা এটা পোষ্টত শ্ৰীমোদীয় কয় যে, যুৱক-যুৱতীসকলৰ জীৱন সলনি কৰিব পৰাকৈ সজীৱ উদ্ভাৱনী পৰিৱেশ তন্ত্ৰ সুনিশ্চিত কৰাৰ ক্ষেত্ৰত চৰকাৰ বদ্ধ পৰিকৰ।

২০১৫ চনৰ বিশ্ব উদ্ভাৱন সূচ্যাংকৰ ৮১ সংখ্যক স্থানৰ পৰা ভাৰতে চলিত বৰ্ষত ৩৯ সংখ্যক স্থানলৈ উন্নীত হৈছে। সম্প্ৰতি মধ্য আৰু দক্ষিণ এছিয়াৰ অৰ্থনীতিসমূহৰ ভিতৰত ভাৰত প্ৰথম স্থানত আছে। নিম্ন মধ্য আয়ৰ অৰ্থনীতিসমূহৰ ভিতৰতো দেশ সম্প্ৰতি প্ৰথম স্থানত আছে।

00000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জৈৱিক পদ্ধতিৰে কৃষিকাৰ্য কৰা আগশাৰীৰ কৃষক পদ্মশ্ৰী পপ্পাম্মালৰ বিয়োগত শোক প্ৰকাশ কৰিছে। সামাজিক মাধ্যমত লিখা এটা পোষ্টত শ্ৰীমোদীয়ে কয় যে, মানুহে তেওঁক নম্ৰ আৰু দয়ালু স্বভাৱৰ বাবে প্ৰশংসা কৰিছিল।

00000

আয়ুষ্মান ভাৰত ডিজিটেল ভাৰত অভিযানৰ অধীনত যোৱা তিনিটা বছৰত ৬৭ কোটিতকৈও অধিক আয়ুষ্মান ভাৰত হেল্থ একাউণ্ট চমুকৈ আভাৰ সুবিধা প্ৰদান কৰা হৈছে। এই ডিজিটেল স্বাস্থ্য সেৱা অভিযানে কালি তিনিটা বছৰ সম্পূৰ্ণ কৰে। স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ে জনোৱা অনুসৰি, এই অভিযানৰ অধীনত ৪২ কোটিতকৈও অধিক লোকক আভাৰ সৈতে সংযোগ কৰা হৈছে। ইয়াৰ অধীনত স্বাস্থ্য সেৱাৰ সৈতে জড়িত ৪ কোটি ৭ লাখ লোকে ৰাষ্ট্ৰীয় স্বাস্থ্য সেৱা প্ৰদানকাৰী পঞ্জীয়নৰ অধীনত সফলতাৰে পঞ্জীয়ন কৰিছে। মন্ত্ৰ্যালয়ে কৈছে যে, দেশৰ ডিজিটেল স্বাস্থ্য সেৱাৰ সুবিধাসমূহ অধিক ত্বৰান্বিত কৰাৰ লগতে ইয়াক স্বচ্ছ আৰু সুচল কৰি তোলাৰ ক্ষেত্ৰত এই অভিযানে সফলতাৰে তিনিটা বছৰ সম্পূৰ্ণ কৰে।

00000

ভাৰতে নিউয়ৰ্কত ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদৰ ৭৯ সংখ্যক অধিৱেশনত অনুষ্ঠিত জি-২০ ৰাষ্ট্ৰগোষ্ঠীৰ বিত্ত তথা স্বাস্থ্য টাস্ক ফ'ৰ্চৰ উচ্চ পৰ্যায়ৰ যুটীয়া বৈঠকত স্বাস্থ্যৰ সামাজিক নিৰ্ণায়ক-এছ ডি এইচ উন্নত কৰাৰ বাবে নিজৰ প্ৰতিশ্ৰুতিবদ্ধতা পুনৰ প্ৰকাশ কৰিছে। স্বাস্থ্য খণ্ডত বিনিয়োগক অগ্ৰাধিকাৰ দিয়াক কেন্দ্ৰ কৰি এই অধিবেশন অনুষ্ঠিত হয়। অনুষ্ঠানত স্বাস্থ্য ৰাজ্যমন্ত্ৰী অনুপ্ৰিয়া পেটেল মুখ্য বক্তা হিচাপে উপস্থিত থাকে। তেওঁ স্বাস্থ্য বিনিয়োগৰ অগ্ৰাধিকাৰসমূহক সমৰ্থন কৰাত স্বাস্থ্যৰ সামাজিক নিৰ্ণায়কৰ ভূমিকাত আলোকপাত কৰে। ভৱিষ্যতৰ স্বাস্থ্য জৰুৰীকালীন পৰিস্থিতিৰ প্ৰভাৱ কমোৱা আৰু অৰ্থনৈতিক বোজা দূৰ কৰাৰ ক্ষেত্ৰত স্বাস্থ্য আৰু বিত্ত খণ্ডৰ গুৰুত্বপূৰ্ণ সংযোগতো তেওঁ গুৰুত্ব আৰোপ কৰে।

অনুষ্ঠানত মন্ত্ৰীগৰাকীয়ে গৃহ নিৰ্মাণ, অনাময়, পানীৰ সুবিধা আৰু আয়ৰ সুৰক্ষাৰ দৰে স্বাস্থ্যৰ অন্যতম সামাজিক নিৰ্ণায়কৰ বিষয়ে উল্লেখ কৰে।

অনুষ্ঠানত ভাৰতীয় প্ৰতিনিধি দলটোৱে সমগ্ৰ দেশতে পৰিৱৰ্তনৰ সূচনা কৰা আয়ুষ্মান ভাৰত, স্বচ্চ ভাৰত মিছন, জল জীৱন মিছন আৰু প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ দৰে ধ্বজাবাহী কাৰ্যসূচীসমূহৰ বিষয়ে প্ৰকাশ কৰে।

00000

ভাৰতীয় ৰে'ল বিভাগে দুৰ্গা পূজা, দেৱালী আৰু ছট পূজাৰ বাবে অহা পহিলা অক্টোবৰৰ পৰা ৩০ নৱেম্বৰলৈ ছহেজাৰতকৈ অধিক বিশেষ ৰে'ল চলাচল কৰাব। প্ৰতি বছৰে ভাৰতীয় ৰে'ল বিভাগে লাখ লাখ যাত্ৰীৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি উৎসৱৰ সময়ছোৱাত বিশেষ ৰে'লৰ চলাচলৰ ব্যৱস্থা কৰি আহিছে। যোৱা বছৰৰ তুলনাত এইবছৰ বিশেষ ৰে'লৰ সংখ্যা যথেষ্ট বৃদ্ধি পাইছে। যোৱা বছৰ এই সময়ছোৱাত ৪ হাজাৰ ৪২৯ খন বিশেষ ৰে'ল চলাচল কৰোৱা হৈছিল।

ooooo

জম্মু-কাশ্মীৰত হ'বলগীয়া তৃতীয় পৰ্যায়ৰ আৰু হাৰিয়ানাত হ'বলগীয়া এটা পৰ্যায়ৰ বিধানসভা নিৰ্বাচনৰ বাবে প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে। অহা মঙলবাৰে জম্মু-কাশ্মীৰৰ ৪০টা বিধানসভা সমষ্টিৰ বাবে তৃতীয় তথা অন্তিম পৰ্যায়ৰ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। ভোটদাতাক আকৰ্ষণ কৰাৰ বাবে বিভিন্ন দলৰ নেতাসকলে ইখনৰ পাছত সিখনকৈ জনসভা আৰু ৰোড শ্ব'ত ভাগ লোৱা পৰিলক্ষিত হৈছে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জম্মুত আজি এখন ৰাজহুৱা সভাক সম্বোধন কৰিব। আনহাতে কংগ্ৰেছৰ প্ৰিয়ংকা গান্ধীয়ে কেন্দ্ৰীয় শাসিত অঞ্চলটোত এখন জনসভাত ভাষণ দিব। ইপিনে, বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি তথা কেন্দ্ৰীয় মন্ত্ৰী জে পি নাড্ডাই কালি জম্মুৰ কাথুৱাত এখন জনসমাৰেশত ভাগ লয়। তেওঁ অঞ্চলটোত শান্তিপূৰ্ণভাৱে অনুষ্ঠিত হৈ যোৱা দুটা পৰ্যায়ৰ নিৰ্বাচনৰ বাবে সন্তোষ প্ৰকাশ কৰে। তেওঁ কয় যে, অঞ্চলটোৰ জনসাধাৰণে বুলেটৰ সলনি বেলটক নিৰ্বাচন কৰি শান্তি আৰু প্ৰগতিৰ প্ৰতি থকা প্ৰতিশ্ৰুতিবদ্ধতা প্ৰকাশ কৰিছে। এখন সংবাদমেল সম্বোধন কৰি ৰাষ্ট্ৰীয় সভাপতিগৰাকীয়ে কাশ্মীৰৰ যুৱক-যুৱতীসকলে ৰাষ্ট্ৰৰ মূল সুঁতিৰ সৈতে জড়িত হৈছে আৰু উগ্ৰবাদ তথা হিংসাক প্ৰত্যাখ্যান কৰিছে বুলি উল্লেখ কৰে।

হাৰিয়ানাত অহা ৫ অক্টোবৰত ৯০টা বিধানসভা সমষ্টিৰ বাবে ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। এই পৰিপ্ৰেক্ষিতত ৰাজ্যখনত নিৰ্বাচনী প্ৰচাৰ তুংগত উঠিছে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহে কালি অম্বালা, কুৰুক্ষেত্ৰ আৰু ৰেৱাৰীত জনসমাৰেশক সম্বোধন কৰে। মন্ত্ৰীগৰাকীয়ে হাৰিয়ানাত বিজেপি চৰকাৰে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপত আলোকপাত কৰে। শ্ৰীশ্বাহে ৰাজ্যখনত কংগ্ৰেছৰ সময়ত হোৱা অৰাজকতাক সমালোচনা কৰি কয় যে, কংগ্ৰেছৰ কেৱল কমিচন আৰু দুৰ্নীতিৰ শাসন আছে। তেওঁ ন্যূনতম সমৰ্থন মূল্যৰ নামত কৃষকসকলক ভুল পথে বিচলিত কৰাৰ বাবে কংগ্ৰেছক দোষাৰোপ কৰে।

কংগ্ৰেছৰ নেতা কুমাৰী ছেলজাই কালানৱালি আৰু দাবৱালিত  কালি নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। তেওঁ কৃষক, শ্ৰমিক, ব্যৱসায়ী আৰু নিৱনুৱা যুৱক-যুৱতীসকলৰ বাবে সমস্যাৰ সৃষ্টি কৰাৰ বাবে বিজেপি চৰকাৰক সমালোচনা কৰে। তেওঁ ৰাজনৈতিক লাভালাভৰ বাবে বিধি বলৱৎকাৰী সঞ্চালকালয়ৰ লেখীয়া সংস্থাসমূহৰ অপ ব্যৱহাৰৰ বাবে বিজেপিক দোষাৰোপ কৰে। আম আদমী পাৰ্টী আৰু আঞ্চলিক দলসমূহেও ৰাজ্যখনত তেওঁলোকৰ দলীয় প্ৰাৰ্থীসকলৰ হৈ প্ৰচাৰ চলোৱা দেখা গৈছে।

ooooo

মণিপুৰৰ আন্দ্ৰো গাঁৱে পৰ্যটন মন্ত্ৰালয়ৰ উদ্যোগত অনুষ্ঠিত শ্ৰেষ্ঠ পৰ্যটন গাঁও প্ৰতিযোগিতাৰ চলিত সংস্কৰণৰ ঐতিহ্য শাখাত অন্যতম শ্ৰেষ্ঠ পৰ্যটন গাঁৱৰ সন্মানীয় বঁটা লাভ কৰিছে। বিশ্ব পৰ্যটন দিৱস উদযাপনৰ সময়ত কালি নতুন দিল্লীৰ বিজ্ঞান ভৱনত আয়োজিত অনুষ্ঠানত মন্ত্ৰালয়ে মণিপুৰ পৰ্যটনৰ বিষয়া আৰু আন্দ্ৰো গাঁৱৰ প্ৰতিনিধিসকলক এই বঁটা প্ৰদান কৰে।

আন্দ্ৰো গাঁৱৰ অনন্য সাংস্কৃতিক ঐতিহ্য আৰু পৰম্পৰাগত পদ্ধতিসমূহ এই বঁটাৰ বাবে নিৰ্বাচিত হোৱাৰ মূল কাৰক হিচাপে বিবেচিত হৈছে। গাঁওখনৰ মন্দিৰটোৱে অঞ্চলটোৰ চহকী সাংস্কৃতিক আৰু ঐতিহাসিক ঐতিহ্য প্ৰদৰ্শন কৰি আহিছে। গাঁওখনৰ অনন্য সাংস্কৃতিক ঐতিহ্যৰ ভিতৰত শতিকা পুৰণি অগ্নি পূজা অন্যতম। এই পূজাই বিশ্বৰ বিভিন্ন প্ৰান্তৰ পৰ্যটকক আকৰ্ষণ কৰি আহিছে। ই স্থানীয়

জনসাধাৰণৰ আয় বৃদ্ধি আৰু কৰ্মসংস্থাপন সৃষ্টিত অৰিহণা যোগাইছে। গাঁওবাসীয়ে স্থানীয় জনগোষ্ঠীসমূহক প্ৰচাৰৰ ক্ষেত্ৰত জড়িত কৰিবলৈ আৰু তেওঁলোকৰ ঐতিহ্য বজাই ৰখাৰ লগতে পৰ্যটনৰ কাৰ্য্যকলাপৰ সৈতেও জড়িত কৰিবলৈ ভালেমান কৌশল গ্ৰহণ কৰিছে।

০০০০০

বাংলাদেশে আজি ভাৰতৰ বিৰুদ্ধে অনুষ্ঠিত দুখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ দ্বিতীয় তথা অন্তিমখন টেষ্টত ৩টা উইকেটৰ বিনিময়ত কালি সংগ্ৰহ কৰা ১০৭ ৰাণৰ পৰা দ্বিতীয় দিনৰ খেল আৰম্ভ কৰিব। প্ৰবল বৰষুণৰ বাবে নিৰ্ধাৰিত সময়ৰ পূৰ্বে কালি খেল সামৰাৰ পৰত মমিনুল হকে ৪০ আৰু মুছফিকুৰ ৰহিমে ৬ ৰাণ সংগ্ৰহ কৰি খেলি আছিল। ঘৰুৱা দলৰ হৈ আকাশ দীপে দুটা উইকেট দখল কৰাৰ বিপৰীতে ৰবিচন্দ্ৰন অশ্বিনে এটা উইকেট দখল কৰিছে।

ইয়াৰ পূৰ্বে বৰষুণ তথা সেমেকা আউটফিল্ডৰ বাবে পলমকৈ আৰম্ভ হোৱা খেলখনত ভাৰতে টছত জয়লাভ কৰি আলহী দলটোক বেটিং কৰিবলৈ আমন্ত্ৰণ জনায়।

চেন্নাইত অনুষ্ঠিত প্ৰথমখন টেষ্টত ভাৰতে বাংলাদেশক ২৮০ ৰানৰ বিশাল ব্যৱধানত পৰাস্ত কৰি ইতিমধ্যে শৃংখলাত ১-০ ফলাফলেৰে অগ্ৰগতি লাভ কৰিছে।

০০০০০

ভাৰতৰ তৃষা জলী আৰু গায়ত্ৰী গোপীচান্দৰ যুটীটোৱে আজি মাকাউ অপেন বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলাৰ ডাবলছৰ ছেমি ফাইনেলত টাইৱানৰ শ্বে পে চান্দ আৰু হুং এ তুজুৰ বিৰুদ্ধে খেলিব। ভাৰতীয় সময় অনুসৰি খেলখন দিনৰ ১০ বাজি ৫০ মিনিটত আৰম্ভ হ'ব। তৃতীয় বাছনিৰ ভাৰতীয় যুটীটোৱে টাইৱানৰ শ্বু য়িন হুই আৰু ৱু লু য়ুক ২১-১২, ২১-১৭ত গেমত পৰাস্ত কৰি ছেমি ফাইনেলত স্থান নিশ্চিত কৰিছে।

০০০০০

**সমাপ্ত**